# অসম আদিত্য

১২ জেঠ, ১৯৪৭ শক ■ মঙলবাৰ, ২৭ মে', ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, May 27, 2025


ৰ। ঘটনাৰ প্ৰকৃত কাৰণ জানিব
য় এই ঘটনা সংঘটিত কৰিলে
লি সচেতনমহলে দাবী কৰিছে।

## ক্ৰীড়া
## বুজি চুক্তি



গৰ হৈ সঞ্চালক ড০ সংগীতা
তা কাকতি উপস্থিত থাকে।
ৰে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া
ংকজ বৰঠাকুৰে।

**কানৈ মহাবিদ্যালয়ত জিলাভিত্তিক দ্বিতীয় যোগাসন প্ৰতিযোগিতা**

# যোগাসনে বিশ্বগুৰুৰূপে পৰিচিত কৰিছে ভাৰতক ঃ ড° শশীকান্ত শইকীয়া

**ষ্টাফ ৰিপৰ্টাৰ, ২৬ মে' ঃ** 'যোগাসনে ভাৰতবৰ্ষক বিশ্বগুৰুৰূপে পৰিচিত কৰিছে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)-ৰ যোগ আৰু ধ্যান কেন্দ্ৰ, সংস্কৃত বিভাগৰ উদ্যোগত ২৫ মে'ত অনুষ্ঠিত হোৱা জিলাভিত্তিক দ্বিতীয় যোগাসন প্ৰতিযোগিতাত উদ্বোধনী ভাষণ প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষ ড০ শইকীয়াই কয়— শৰীৰ সুস্থ হৈ থাকিলেহে দেশ এখন সুস্থিৰ হ'ব, তাৰ বাবে যোগাসন হৈছে উত্তম পন্থা। তেওঁ কয়— সমগ্ৰ বিশ্বত আজি যোগক লৈ যি জাগৰণৰ সৃষ্টি হৈছে, ভাৰতবৰ্ষৰ বাবে সেয়া বহু পুৰণি ইতিহাস। ভাৰতবৰ্ষত বৈদিক ঋষি-মুণিসকলৰ দিনতেই এই যোগ-চৰ্চা অব্যাহত আছিল। তেওঁ সকলোকে দৈনিক যোগ-চৰ্চা কৰিবলৈ আহ্বান জনোৱাৰ লগতে স্বাস্থ্য সুৰক্ষাত যোগাসনৰ গুৰুত্বৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। অধ্যক্ষ ড০ শইকীয়াই কয়— সমগ্ৰ বিশ্বত যোগাসনক প্ৰতিষ্ঠা কৰি ভাৰতবৰ্ষই ইতিমধ্যে বিশ্বগুৰু হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। অৱশ্যে উত্তৰ কোৰিয়া, ছুমালিয়া, দক্ষিণ আফ্ৰিকাৰ কেতবোৰ দেশত আজিও যোগাসন জনপ্ৰিয় হোৱা নাই। তাৰ বাবে সেই দেশসমূহৰ জনসাধাৰণৰ মাজত স্বাস্থ্য সজাগতাৰ সৃষ্টি কৰিব লাগিব আৰু যোগাসনক জনপ্ৰিয় কৰাৰ প্ৰচেষ্টা হাতত ল'ব লগিব। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাসে আঁত ধৰা আৰু অধ্যাপিকা ড০ চয়নিকা গোস্বামীৰ মঙ্গলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ ছাত্ৰ সম্পৰ্কৰ সমন্বয়ক ড০ জ্যোতিপ্ৰসাদ ফুকনে কয়— আজিৰ বস্তুবাদৰ যুগত মানুহৰ আধ্যাত্মিক উত্তৰণ ঘটাবলৈ যোগ উত্তম মাধ্যম। যোগে শৰীৰ, মন আৰু আত্মাৰ সমন্বয় সাধন কৰে। কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা বিনী শইকীয়া আৰু যোগ আৰু ধ্যান কেন্দ্ৰৰ শিক্ষয়িত্ৰী চয়নিকা গগৈৰ সু-পৰিচালনাত বিভিন্ন শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত ডিব্ৰুগড় জিলাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ প্ৰায় ১৫০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত বিজয়ীসকলৰ লগতে অংশগ্ৰহণকাৰী সকলো প্ৰতিযোগীকে একোখনকৈ মান-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।

